# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-11-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

০০০০০০০

অসম বিধান সভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিন। আজি কেইবাখনো বিধেয়ক সদনত দাখিল কৰা হ'ব। ইয়াৰ ভিতৰত ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন আজি বিধানসভাত দাখিল কৰা হ'ব। উল্লেখযোগ্য যে, ৰাজ্যত ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত গঠন কৰা মন্ত্ৰী গোটে বুধবাৰে ৰাজ্যিক মন্ত্ৰীসভাত প্ৰতিবেদন দাখিল কৰিছিল। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনখনক মন্ত্ৰীসভাই অনুমোদন দিছে বুলি সংবাদমেলক অৱগত কৰিছিল। এই প্ৰতিবেদনে বৰ্তমানৰ জনজাতিসকলৰ অধিকাৰ আৰু সাংবিধানিক সুৰক্ষাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নকৰাকৈ অন্যান্য জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি ড° শৰ্মাই উল্লেখ কৰে। জনজাতি পৰিক্ৰমা বিভাগে ইয়াৰ পাছত এই প্ৰতিবেদন অসম বিধানসভালৈ প্ৰেৰণ কৰে আৰু অধ্যক্ষৰ অনুমতি সাপেক্ষে প্ৰতিবেদনখন আজি বিধানসভাত দাখিল কৰা হ'ব। ইয়াৰ লগতে আজি অন্তিম দিনা সদনত কেইবাখনো প্ৰতিবেদন দাখিল কৰা হ'ব।

ইপিনে, ৰাজ্যত ৭খন কাৰাগাৰ নতুনকৈ নিৰ্মাণ কৰা হ'ব বুলি আজি বিধানসভাত মন্ত্ৰী ৰূপেশ গোৱালাই ঘোষণা কৰে।

০০০০০

বিজ্ঞান সন্মতভাৱে অপৰাধী চিনাক্তকৰণৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে অসমত স্থাপন কৰা মেজাৰমেণ্ট কালেকচন ইউনিট চমুকৈ এম চি ইউত ডি এন এ নমুনা সংগ্ৰহ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। উলুবাৰীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কালি আৰক্ষী বিশেষ সঞ্চালক প্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ২০২২ চনত প্ৰৱৰ্তন কৰা অপৰাধী চিনাক্তকৰণ পদ্ধতি আইনখনৰ সম্প্ৰসাৰণ কৰা হৈছে। এই নতুন ব্যৱস্থা অনুসৰি অপৰাধীৰ চকুৰ ৰেটিনা স্কেন কৰিব পৰা যাব।

বাইট

০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ সমূহীয়া পৰিৱেশনৰ বাবে কাইলৈ আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত এটা বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰিব।

০০০০০০

গুৱাহাটীৰ কাহিলিপাৰাস্থিত জ্যেতি চিত্ৰবনত আজি আৰু কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হৈছে। ২০১৭ চনৰ পৰা প্ৰতি বছৰে উত্তৰ-পূব ভাৰতৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান তথা বিশ্ব সংবাদ কেন্দ্ৰৰ সহযোগী চলচ্চিত্ৰমে ৰাষ্ট্ৰীয় চুটি ছবি আৰু তথ্য চিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। এইবাৰৰ মহোৎসৱৰ মূল বিষয় হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। উত্তৰ-পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ মাজত এই মহোৎসৱৰ প্ৰতিযোগিতা সীমাবদ্ধ থাকিব। মহোৎসৱত ৩০ খন চুটি ছবি আৰু তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ভাৰত বালাৰ **অহম ভৰতম** উদ্বোধনী আৰু পীযুষ ঠাকুৰৰ **দ্যা ফাৰ্ষ্ট ফিল্ম** সামৰণি ছবি হিচাপে প্ৰদৰ্শিত হ'ব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মন যায় ছবিখনৰো বিশেষ প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিশিষ্ট সমাজসেৱক ড০ সুনীল মহান্তিয়ে আজি কিছুসময় পূৰ্বে এই মহোৎসৱৰ উদ্বোধন কৰে। কাইলৈ সামৰণি অনুষ্ঠানত ৰাজ্য বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াৰ লগতে ভালেমান গণ্যমান্য লোক উপস্থিত থাকিব। এই মহোৎসৱত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিশেষ শ্ৰদ্ধাঞ্জলিৰো আয়োজন কৰা হৈছে।

০০০০০

যোৰহাট আৰ্ত ভৱনৰ সভাগৃহত কালি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। যোৰহাট জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অতিৰিক্ত জিলা আয়ুক্তদ্বয়, নিৰ্বাচনী বিষয়া আৰু বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাৰ নৰকাসুৰ পাহাৰত থকা ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটোৰ এণ্টেনা উন্নীতকৰণৰ কাম সম্পূৰ্ণ হৈছে। আকাশবাণীৰ অভিযন্তাসকলে ২৪ নৱেম্বৰৰ পৰা যোৱা ৫ দিনে প্ৰতিনিশাই কাম কৰি এই কাম আজি পুৱা সম্পূৰ্ণ কৰে। বৰ্তমান এই ট্ৰান্সমিটাৰটোৰ পৰা প্ৰায় সম্পূৰ্ণ শক্তিত প্ৰসাৰণ চলাই থকা হৈছে। এতিয়াৰে পৰা মহাবাহু শাখাৰ এফ এম প্ৰসাৰণ কামৰূপ মহানগৰ, কামৰূপ, দৰং, ওদালগুৰি, তামুলপুৰ আৰু মৰিগাঁও জিলাৰ লগতে বাক্সা, বৰপেটা, নগাঁও আৰু শোণিতপুৰ জিলাৰ বিস্তীৰ্ণ অঞ্চলৰ শ্ৰোতায়ো উন্নত মানত শুনিবলৈ পাইছে।

০০০০০০০

আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ সৈন্যবাহিনীৰ অনুষ্ঠানত **তিন বেহেনে**-ৰ অন্যতম সীমা বেহেন-তাপসী সেনগুপ্ত আৰু মিতা বেহেন- সাধনা ফুকনৰ সৈতে অন্তৰংগ আলাপ শুনিবলৈ পাব। তেওঁলোকৰ সৈতে থাকিব সৈন্য বাহিনী অনুষ্ঠানৰ এসময়ৰ জনপ্ৰিয় ঘোষক দিবাকৰ গোস্বামী আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ। আজি নিশা ৮ বাজি ২ মিনিটত।

০০০০০

শীত অহাৰ লগে লগে ধুবুৰী জিলাৰ গৌৰীপুৰৰ সাৰেশ্বৰ বিল আৰু বিলাসীপাৰা চহৰৰ দাঁতিত অৱস্থিত হাকামা বিলৰ পাৰত অগণন পৰিভ্ৰমী চৰাইৰ আগমন ঘটিছে।

০০০০০